*প্ৰতিবেদনযোগ্য*

# ভাৰতৰ উচ্চতম ন্যায়ালয়

## দেৱানী আপীল অধিকাৰ ক্ষেত্ৰ

## দেৱানী আপীল নং ৩৮৭ চন ২০০৯

(২০০৬ চনৰ বিশেষ অনুমতি (দেৱানী) আৱেদন নং ১০৭২৬ ৰ পৰা উদ্ভৱ হোৱা)

অম্লান জ্যোতি বৰুৱা ...... আপীলকাৰী

বনাম

অসম ৰাজ্য আৰু অন্যান্য ...... প্ৰতিপক্ষ

## ৰায়

ন্যায়াধীশ এছ. বি. সিনহা,

১. অনুমতি প্ৰদান কৰা হল।

২. গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এক খণ্ড বিচাৰপীঠে ২০০4 চনৰ লেখ আপীল নং ৫4 ত প্ৰদান কৰা ৫.৫.২০00৬ তাৰিখৰ ৰায় আৰু আদেশেৰ উচ্চ ন্যায়ালয়ৰ এজনীয়া বিচাৰপীঠে প্ৰদান কৰা ১২.২.২০04 তাৰিখৰ ৰায় আৰু আদেশ সংশোধন কৰিছিল। সেয়েহে খণ্ড বিচাৰপীঠৰ ৫.৫.২০00৬ তাৰিখৰ ৰায় আৰু আদেশৰ বিৰুদ্ধে এই আপীল দাখিল কৰা হৈছে ।

৩. বিষয়টোৰ মূল কথাটো বিবাদৰ বিষয় নহয়।

আৰক্ষী সঞ্চালক প্ৰধানে ৬.৯.১৯৯৭ তাৰিখৰ ভিতৰত খালী হবলগীয়া ১১২ টা আৰক্ষী উপ-পৰিদৰ্শকৰ পদৰ বাবে আবেদন আহ্বান কৰি এটা বিজ্ঞাপন প্ৰকাশ কৰিছিল আৰু ইয়াৰ বাবে প্ৰক্ৰিয়া নিৰ্ধাৰণ কৰা প্ৰাসংগিক দফাবোৰ তলত দিয়া ধৰণৰ আছিলঃ

> "বাছনিৰ পিছত প্ৰাৰ্থীসকলক দেৰগাঁও অসম আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয়ত এবছৰৰ বাবে নিৰ্ধাৰিত প্ৰশিক্ষণ পাঠ্যক্ৰমৰ বাবে ৰখা হ'ব আৰু প্ৰশিক্ষণৰ সময়ছোৱাত

তেওঁলোকক আৰক্ষীৰ এছ.আই. কেডাৰ হিচাপে গণ্য কৰা হব। আৰক্ষী প্ৰশিক্ষণ কলেজত প্ৰশিক্ষণ লোৱাৰ পিছত চূড়ান্ত পৰীক্ষাত বিফল হোৱা প্ৰাৰ্থীসকলক চাকৰিৰ পৰা অব্যাহতি দিয়া হব। চূড়ান্ত পৰীক্ষাত শীৰ্ষ স্থান লাভ কৰা প্ৰাৰ্থীসকলক ইউ. বি.-ৰ বাবে বিবেচনা কৰা হ'ব আৰু বাকী প্ৰাৰ্থীসকলক ২০ পইণ্টৰ ৰষ্টাৰৰ সাপেক্ষে এ.বি.-ৰ বাবে বিবেচনা কৰা হ'ব ।

প্ৰয়োজনীয় অৰ্হতা থকা সকলো প্ৰাৰ্থীয়ে লিখিত পৰীক্ষাত অৱতীৰ্ণ হ’ব যিটো ৩ ( তিনি ) ঘণ্টাৰ এখন প্ৰশ্ন কাকত থাকিব। সাধাৰণ জ্ঞান, ইতিহাস, বিজ্ঞান, মৌলিক গণিত, বোধগম্যতা আদি বিষয়ৰ ওপৰত প্ৰশ্ন থাকিব। পৰীক্ষাৰ স্থান নিৰ্ধাৰণ কৰিব আবেদন পত্ৰত প্ৰাৰ্থীসকলে বৰ্তমান যি জিলাত বাস কৰা বুলি উল্লেখ কৰিছে সেই জিলাৰ আৰক্ষী অধীক্ষকে। এই উদ্দেশ্যে প্ৰাৰ্থীসকলে জিলাসমূহৰ পুলিচ ৰিজাৰ্ভৰ সৈতে যোগাযোগ কৰি নিৰ্ধাৰণ কৰা তাৰিখ জানিব পাৰিব ।

লিখিত পৰীক্ষাত উত্তীৰ্ণ হোৱা প্ৰাৰ্থীসকলে কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত হবলগীয়া শাৰীৰিক সক্ষমতা পৰীক্ষা আৰু সাক্ষাৎকাৰত হাজিৰ হব লাগিব যাৰ তাৰিখ পিছত জনোৱা হব।

প্ৰাৰ্থীসকলে তেওঁলোকৰ নিজৰ খৰচতে লিখিত পৰীক্ষা, শাৰীৰিক সক্ষমতা পৰীক্ষা আৰু সাক্ষাৎকাৰত হাজিৰ হব লাগিব।

৪. সেই অনুসৰি আপীলকাৰী আৰু এই আপীলৰ আন কেইজনমান প্ৰতিপক্ষইও উক্ত পদৰ বাবে আবেদন প্ৰত্ৰ দাখিল কৰিছিল। তেওঁলোকক ১৯৯৮ চনৰ ২৫/২৬ এপ্ৰিলত লিখিত পৰীক্ষাত আৰু ১৯৯৮ চনৰ ২৭/২৮ এপ্ৰিলত শাৰীৰিক সামৰ্থ্য পৰীক্ষাত অৱতীৰ্ণ হবলৈ ১৮.৩.১৯৯৮ তাৰিখে চিঠিৰ জৰিয়তে জনোৱা হৈছিল। লিখিত পৰীক্ষা ২৬.৪.১৯৯৮ তাৰিখে অনুষ্ঠিত হৈছিল। অৱশ্যে, এইটো দেখা গৈছে যে বিজ্ঞাপনত এই ধৰণৰ প্ৰক্ৰিয়া নিৰ্ধাৰণ কৰা স্বত্বেও, নিৰ্বাচন সমিতিয়ে লিখিত পৰীক্ষাত ৪০ শতাংশ নম্বৰ অৰ্জন কৰা প্ৰাৰ্থী সকলক সাক্ষাৎকাৰৰ বাবে মতাৰ সিদ্ধান্ত লৈছিল। সেই অনুসৰি চিঠি পঠোৱা হৈছিল, যাৰ নমুনা তলত দিয়া ধৰণৰঃ

"আপোনাক মূল প্ৰমাণপত্ৰৰ সৈতে তলত উল্লেখ কৰা নিৰ্দিষ্ট স্থানত অনুষ্ঠিত হবলগীয়া সাক্ষাৎকাৰত উপস্থিত হবলৈ অনুৰোধ জনোৱা হৈছে।

ওপৰোক্ত সাক্ষাৎকাৰত হাজিৰ হোৱাৰ বাবে কোনো টিএ/ডিএ প্ৰদান কৰা নহ'ব।

যদি সাক্ষাৎকাৰত আপোনাক বাছনি কৰা হয় তেন্তে চূড়ান্ত বাছনিৰ বাবে আপোনাক শাৰীৰিক পৰীক্ষাৰ বাবে মতা হব।"

৫. আপীলকাৰীৰ লগতে আন কেইজনমান প্ৰতিপক্ষইও সাক্ষাৎকাৰৰ বাবে বাচনি সমিতিৰ সন্মুখত হাজিৰ হৈছিল। বাছনি সমিতিয়ে যোগ্যতাৰ ভিত্তিত ১৮০৩ জন প্ৰাৰ্থীক বাচনি কৰি তালিকা প্ৰস্তুত কৰিছিল। বাচনি তালিকাখন ১.২.২০০০ তৰিখে প্ৰকাশ কৰা হৈছিল আৰু আৰক্ষী সঞ্চালক প্ৰধানৰ কাৰ্যালয়ৰ জাননী ফলকত আৰি দিয়া হৈছিল । বাচনি তালিকাত আবেদনকাৰীৰ স্থান আছিল ৭৫০ । সাক্ষাৎকাৰত তেওঁ ৩২ নম্বৰ আৰু লিখিত পৰীক্ষাত ৯২ নম্বৰ, মুঠ ১২৪ নম্বৰ লাভ কৰিছিল ।

এইটো উল্লেখ কৰা হৈছিল যে বাচনি তালিকাখনৰ বৈধ্যতা দুবছৰলৈ থাকিব।

৬. উল্লেখ কৰা অনুসৰি ২.৩.২০০০ তাৰিখে আৰক্ষী মহাপৰিদৰ্শকে অসম চৰকাৰৰ গৃহ বিভাগলৈ ১৭৪ জন আৰক্ষী উপ-পৰিদৰ্শক নিযুক্তিৰ বাবে ৰাজ্যিক পৰ্যায়ৰ ক্ষমতাপ্ৰাপ্ত সমিতিৰ অনুমোদন লাভ কৰিবলৈ অনুৰোধ জনাইছিল, আৰু গৃহ বিভাগে সেই অনুমোদন লাভ কৰি আৰক্ষী মহাপৰিদৰ্শকক জনাইছিল।

৭. যিসকল প্ৰাৰ্থীক শাৰীৰিক সক্ষমতা পৰীক্ষাত অবতীৰ্ণ হোৱাৰ বাবে যোগ্য বুলি বিবেচিত হৈছিল তেওঁলোকক ১৯.২.২০০০ তাৰিখে অনুষ্ঠিত হবলগীয়া পৰীক্ষাত হাজিৰ হবলৈ কোৱা হৈছিল । ৪.৭.২০০০ তাৰিখ আৰু তাৰ কেইদিনমানৰ ভিতৰত শাৰীৰিক পৰীক্ষা / চিকিৎসা পৰীক্ষাত উত্তীৰ্ণ হোৱা ১৬৯ জন প্ৰাৰ্থীক আৰক্ষীৰ উপ-পৰিদৰ্শক পদত নিযুক্তি দিয়া হৈছিল।

যিটো আদেশেৰে উপৰোক্ত ১৬৯ টা পদত নিযুক্তি দিয়া হৈছিল সেই আদেশটো উচ্চ ন্যায়ালয়ত দাখিল কৰা গোচৰত প্ৰত্যাহ্বান জনোৱা নাছিল। অৱশ্যে, এইটো দেখা গৈছে যে বাচনি তালিকাখনৰ বৈধ্যতা বাহাল হৈ থকাৰ সময়ৰ ভিতৰত আৰক্ষী সঞ্চালক প্ৰধানে ২১.১২.২০০০ তাৰিখৰ এখন পত্ৰৰ জৰিয়তে দিশপুৰস্থিত গৃহ বিভাগৰ আয়ুক্ত-সচিবলৈ

উপৰোক্ত বাচনি তালিকাৰ পৰা অতিৰিক্ত ৭৭ টা খালী পদ পূৰণ কৰিবলৈ ৰাজ্যিক পৰ্যায়ৰ ক্ষমতাপ্ৰাপ্ত সমিতিৰ (SLEC) অনুমোদন বিচাৰিছিল যত উল্লেখ কৰা হৈছিল এইদৰে-

> "এই পত্ৰ যোগে মই আপোনালোকক অৱগত কৰিব বিচাৰিছো যে বৰ্তমান অসম আৰক্ষীৰ কনষ্টেবলৰ ২১৫৪ টা পদ (বেটালিয়ন ১১৩৬, জিলা এবি-৫০৪, জিলা ইউ বি-৫১৪) আৰু এছ আইৰ ৭৭ টা পদ খালী আছে। এই সকলোবোৰ বাহাল থকা পদ । ৰাজ্যখনত চলি থকা বিদ্ৰোহৰ পৰিস্থিতিৰ লগতে অহা চাৰি মাহৰ ভিতৰত হবলগীয়া বিধানসভা নিৰ্বাচন উপলক্ষে আমি জনবল একত্ৰিত কৰিব লাগিব। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি, আমাৰ ওচৰত ইতিমধ্যে উপলব্ধ পূৰ্বৰ নিযুক্তিৰ ফলাফলৰ পৰা প্ৰত্যক্ষ নিযুক্তিৰ জৰিয়তে এই খালী পদসমূহ পূৰণ কৰিবলৈ ৰাজ্যিক পৰ্যায়ৰ ক্ষমতাপ্ৰাপ্ত সমিতিৰ পৰা অনুমোদন লবলৈ অনুৰোধ কৰা হৈছে। এই ক্ষেত্ৰত চৰকাৰী নিৰ্দেশনা শীঘ্ৰে জাৰি কৰিব পাৰে।"

৮. উক্ত খালী পদসমূহ পূৰণ কৰাৰ ক্ষেত্ৰত জৰুৰী আৰু বাধ্যতামূলক কাৰণসমূহ আছিল ৰাজ্যখনৰ আইন-শৃংখলাৰ পৰিস্থিতিৰ বিপুল অৱনতিৰ লগতে উগ্ৰপন্থীৰ হিংসাত্মক কাৰ্য্যকলাপ বৃদ্ধি হোৱা। তদুপৰি কোৱা হৈছিল যে ব্ৰহ্মপুত্ৰ উপত্যকাত আলফা আৰু এন.ডি.এফ.বি. য়ে তেওঁলোকৰ হিংসাত্মক কাৰ্যকলাপ তীব্ৰতৰ কৰিছিল আৰু পাহাৰীয়া জিলা কাৰ্বি আলং আৰু এন. চি. পাহাৰত ব্যাপক হত্যা আৰু আৰু ধন দাবী কৰা হৈছিল য'ত উগ্ৰপন্থী সংগঠন ইউ.পি.ডি.এছ. আৰু ডি.এইচ.ডি. ইতিমধ্যে সক্ৰিয় হৈ উঠিছিল। তদুপৰি কোৱা হৈছিল যে এনএছচিএন (আইএম) আৰু কুকি উগ্ৰপন্থীসকলেও উক্ত জিলা দুখনত বিক্ষিপ্ত হিংসাত্মক কাৰ্যকলাপ চলাই আছিল। ৰাজ্যখনত ১.৭.২০০ তাৰিখৰ পৰা ৩১.১২.২০০০ তাৰিখলৈ ৩৫৬টা হিংসাত্মক ঘটনা সংঘটিত হৈছিল আৰু ১.১.২০০১ ৰ পৰা ৩০.৬.২০০১ সময়ৰ ভিতৰত ২৫৯টা এনে ঘটনা সংঘটিত হৈছিল য'ত বৃহৎ সংখ্যক অসামৰিক লোক, ৬জন জোৱান আৰু উগ্ৰপন্থী নিহত হৈছিল। কোৱা হৈছিল যে উপৰোক্ত সময়ছোৱাত ৭০ টা অপহৰণৰ ঘটনা সংঘটিত হোৱা হৈছিল ।

৯. তাৰ পিছত আৰক্ষী সঞ্চালক প্ৰধানৰ বিবেচনাৰ বাবে সেই সময়ত আৰক্ষী উপ-পৰিদৰ্শকৰ খালি থকা ৮৮ টা পদৰ সন্দৰ্ভত এক টোকা প্ৰস্তুত কৰা হৈছিল। পূৰ্বতে উল্লেখ কৰা বাচনি তালিকাত নাম থকা প্ৰাৰ্থীসকলৰ ক্ৰমিক নং ১৭৫ৰ পৰা উক্ত খালী পদসমূহ

পূৰণ কৰা হ'ব নে নহয় সেই সন্দৰ্ভত আৰক্ষী সঞ্চালক প্ৰধানৰ পৰা অনুমোদন বিচৰা হৈছিল কাৰণ ইতিমধ্যে উক্ত তালিকাখনৰ ক্ৰমিক নং ১৭৪ লৈকে কাৰ্য্যকৰী কৰা হৈছিল। আৰক্ষী সঞ্চালক প্ৰধানে প্ৰয়োজনীয় অনুমোদন প্ৰদান কৰা বুলি কোৱা হৈছে। সেই অনুসৰি, ৰাজ্যখনত খালী থকা ৭৭ টা পদৰ সলনি সেইসময়ত খালী ৮০ টা পদ অনুমোদন কৰিবলৈ গৃহ আয়ুক্তক অনুৰোধ জনোৱা হৈছিল। উক্ত বাচনি তালিকাখন পুনৰ ৮.১.২০০১ তাৰিখে প্ৰকাশ কৰা হৈছিল। উক্ত বাচনি তালিকাত নাম থকা প্ৰাৰ্থীসকলৰ ভিতৰত ৮৪ জন প্ৰাৰ্থীক ২২.১.২০০১ তাৰিখে শাৰীৰিক সক্ষমতা পৰীক্ষাত অৱতীৰ্ণ হবলৈ কোৱা হৈছিল। তিনিজন প্ৰাৰ্থী শাৰীৰিক পৰীক্ষাত অৱতীৰ্ণ হব নোৱাৰিলে আৰু চাৰিজন প্ৰাৰ্থী শাৰীৰিক পৰীক্ষাত উত্তীৰ্ণ হব নোৱাৰিলে আৰু ইয়াৰ পিছত ৭৭ জন প্ৰাৰ্থীক ২৫.১.২০০১ তাৰিখে চিকিৎসা পৰীক্ষাত অৱতীৰ্ণ হবলৈ কোৱা হৈছিল যাৰ ভিতৰত ৭৫ জন প্ৰাৰ্থী নিযুক্তিৰ বাবে উপযুক্ত বুলি বিবেচিত হৈছিল। তাৰ পিছত অসম চৰকাৰৰ গৃহ বিভাগৰ উপ-সচিবে ২০.২.২০০১ তাৰিখৰ এখন পত্ৰৰ জৰিয়তে আৰক্ষী উপ-পৰিদৰ্শকৰ ৮০ টা খালী পদত প্ৰত্যক্ষ নিযুক্তিৰ বাবে এছএলইচি য়ে প্ৰদান কৰা অনুমোদন প্ৰকাশ কৰি এইদৰে উল্লেখ কৰিছিল-

> "ওপৰত উল্লেখ কৰা আপোনাৰ পত্ৰৰ সন্দৰ্ভত আপোনাক অৱগত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে যে কৰ্মচাৰী (বি) বিভাগে এই সন্দৰ্ভত প্ৰয়োজনীয় আনুষ্ঠানিকতা পালন কৰি ৮০ (ইউ বি) উপ-আৰক্ষী পৰিদৰ্শকৰ প্ৰত্যক্ষ নিযুক্তিৰ বাবে এছ.এল.ই.চি. ৰ অনুমোদন লাভ কৰিছে আৰু জনাইছে । এইটো কৰ্মচাৰী (বি) বিভাগে পৰামৰ্শ লোৱা U/O No. 141/2001, তাৰিখ 17.2.2001 ৰ জৰিয়তে অনুমোদন লোৱা অনুসৰি জাৰী কৰা হৈছে।"

১০. ইয়াৰ পিছত আপীলকাৰী আৰু আন কিছুমান প্ৰাৰ্থীয়ে ২০০১ চনৰ ফেব্ৰুৱাৰী মাহত আৰক্ষীৰ উপ-পৰিদৰ্শক পদত ৮৪ জন প্ৰাৰ্থীৰ বাছনিৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ত এখন লেখ আবেদন দাখিল কৰিছিল।

১১. নিঃসন্দেহে, উক্ত লেখ আবেদনখন বিচাৰাধীন হৈ থকাৰ সময়ত উপযুক্ত বুলি বিবেচিত হোৱা ৭৫ জন প্ৰাৰ্থীক ২.৩.২০০১ তাৰিখে আৰক্ষীৰ উপ-পৰিদৰ্শক পদত নিযুক্তি পত্ৰ

প্ৰদান কৰি পদসমূহ পূৰণ কৰা হৈছিল। এই আপীলৰ ৭৪ জন প্ৰতিপক্ষই ৩.৩.২০০১ তাৰিখে নিযুক্তি পত্ৰ গ্ৰহণ কৰিছিল; অৱশ্যে তেওঁলোকৰ মাজৰ এজনে পদত যোগদান কৰা নাছিল। তেওঁলোকক প্ৰশিক্ষণৰ বাবে পঠিওৱা হৈছিল আৰু তেওঁলোকে প্ৰশিক্ষণ সম্পূৰ্ণ কৰিছিল। তেওঁলোকে বৰ্তমান উক্ত পদত কাম কৰি আহিছে। উচ্চ ন্যায়ালয়ৰ এজনীয়া বিচাৰপীঠে ১২.২.২০০৪ তাৰিখে প্ৰদান কৰা এক ৰায় আৰু আদেশৰ জৰিয়তে ৫৪ জন প্ৰাৰ্থীৰ নিযুক্তি বাতিল কৰি এইদৰে মত প্ৰকাশ কৰেঃ

> “নিশ্চিতভাৱে যদি শাৰীৰিক পৰীক্ষাটোৱে নিৰ্বাচন প্ৰক্ৰিয়াৰ প্ৰতিযোগিতামূলক উপাদান গঠন কৰিছিল, তেন্তে লিখিত পৰীক্ষা আৰু মৌখিক সাক্ষাৎকাৰত তেওঁলোকে লাভ কৰা নম্বৰৰ ভিত্তিত শাৰীৰিক পৰীক্ষাৰ বাবে ৮৪/৭৬ প্ৰাৰ্থীক মতাটো আৰু আপীলকাৰীসকলক আওকাণ কৰাটো ভুল আছিল। সকলো প্ৰাৰ্থীক একেধৰণৰ প্ৰক্ৰিয়া দ্বাৰা বিচাৰ কৰা হোৱা নাছিল; যিসকল নিযুক্ত হৈছিল আৰু বাদ পৰিছিল তেওঁলোকক দুটা পৃথক মাপকাঠীৰ দ্বাৰা মূল্যায়ন কৰা হৈছিল, সেয়েহে বৈষম্য বৃহৎ। আবেদনকাৰীসকলক শাৰীৰিক পৰীক্ষাত নম্বৰ দিয়া হলে নিযুক্তি নোপোৱা আবেদনকাৰীসকল অৱশেষত নিযুক্তি দিয়া প্ৰাৰ্থীৰ তুলনাত অধিক স্থান পোৱাৰ সম্ভাৱনা নাকচ কৰিব নোৱাৰি, বিশেষকৈ যেতিয়া লেখ আবেদনত দাখিল কৰা নথিসমূহৰ পৰা জনা যায় যে লিখিত পৰীক্ষা আৰু মৌখিক সাক্ষাৎকাৰত প্ৰাৰ্থীসকলে লাভ কৰা মুঠ নম্বৰৰ পাৰ্থক্য যথেষ্ট কম আছিল। উদাহৰণস্বৰূপে, এই কথাটো মন কৰিব পাৰি যে কেৱল বৃহৎ সংখ্যক প্ৰাৰ্থীয়ে একে নম্বৰ লাভ কৰাই নহয়, শাৰীৰিক পৰীক্ষাৰ বাবে মতা ৮৪ জন প্ৰাৰ্থীৰ ভিতৰত প্ৰথমজনে লিখিত পৰীক্ষা আৰু মৌখিক সাক্ষাৎকাৰত মুঠ ১৪৭ নম্বৰ লাভ কৰিছিল আনহাতে শাৰীৰিক পৰীক্ষাৰ বাবে মতা ৮৪/৭৬ প্ৰাৰ্থীৰ গোটটোৰ ভিতৰত শেষৰ প্ৰাৰ্থীয়ে ১৪৬ নম্বৰ লাভ কৰিছিল। লেখ আৱেদন (দেৱানী) নং ৬২৮/০১ ৰ আবেদনকাৰীজনে ৭৫০তম স্থান লাভ কৰিছিল আৰু তেওঁ ১২৪ নম্বৰ লাভ কৰিছিল । অৰ্থাৎ নিযুক্তি পোৱা অন্তিমজন প্ৰাৰ্থীৰ তুলনাত মাত্ৰ ২২ নম্বৰৰ পাৰ্থক্য আছিল। যদি আবেদনকাৰীসকলক শাৰীৰিক পৰীক্ষাৰ বাবে মতা হলহেতেন, তেন্তে এক সম্পূৰ্ণ পৃথক ছবিৰ উদ্ভৱ হলহেতেন । ওপৰোক্ত কাৰণবোৰৰ বাবে এই আদালত এই সিদ্ধান্তত উপনীত হবলৈ কোনো দ্বিধাবোধ কৰা নাই যে উক্ত প্ৰক্ৰিয়াৰ বাবে সংবিধানৰ ২৪ আৰু ১৬ নং অনুচ্ছেদত থকা আবেদনকাৰীসকলৰ মৌলিক অধিকাৰ খৰ্ব কৰা হৈছে। নিযুক্তি সুৰক্ষিত কৰাৰ উদ্দেশ্যে ব্যৱহৃত পদ্ধতিৰ দ্বাৰা সকলো প্ৰাৰ্থীৰ যোগ্যতাৰ সঠিক নিৰ্ণয় হোৱা নাছিল।"

এই ক্ষেত্রত প্ৰতিপক্ষৰ যুক্তি আছিল যে ন্যায়ৰ ভিত্তিত তেওঁলোকৰ নিযুক্তিত হস্তক্ষেপ কৰা উচিত নহয়, কিন্তু এই কথা নাকচ কৰি উল্লেখ কৰা হৈছিল যে-

"সমতাক সহানুভূতিৰ সৈতে তুলনা কৰা উচিত নহয়। সমতাৰ নীতিবোৰ কিছুমান বিশেষ তথ্যৰ ওপৰত আধাৰিত হ'ব লাগে। এক সমতা বৰ্তাই ৰাখিব লাগিব আৰু ন্যায়বিচাৰ কৰাৰ প্ৰচেষ্টাই যাতে ন্যায়িক দয়া বা মৌলিক অধিকাৰ আৰু আইনৰ নিয়ম নীতিৰ প্ৰতিষ্ঠিত উলংঘনৰ সন্মতি প্ৰদান নকৰে সেয়া নিশ্চিত কৰিবলৈ আদালত সতৰ্ক হ "ব লাগিব।"

নিৰ্দেশ দিয়া হৈছিল এনেদৰে-

"ওপৰোক্ত কাৰণসমুহৰ বাবে, এই আদালতে ১.৩.২০০১ তাৰিখে ৮৪/৭৬ সংখ্যক আৰক্ষী উপ-পৰিদৰ্শকৰ নিযুক্তি বাহাল ৰাখিব দিব নোৱাৰে । সেয়েহে, এই সকলো নিযুক্তিত হস্তক্ষেপ কৰা হব। এই সিদ্ধান্তত উপনীত হোৱাৰ পৰিপ্ৰেক্ষিতত আবেদনকাৰীসকলক তেওঁলোকৰ প্ৰাৰ্থীত্ব নতুনকৈ বিবেচনা কৰাৰ নিৰ্দেশ দি তেওঁলোক কোনো সকাহ দিয়া সম্ভৱ নহয় । অৱশ্যে, গোচৰৰ সমগ্ৰ তথ্য আৰু পৰিস্থিতি বিবেচনা কৰি এইটো নিৰ্দেশ দিয়াটো উপযুক্ত বুলি গণ্য কৰা হয় যে ৰাজ্য চৰকাৰে যদি নতুনকৈ বিজ্ঞাপন প্ৰকাশ কৰি পুনৰ বাছনি প্ৰক্ৰিয়া আৰম্ভ কৰে আৰু যদি পূৰ্বৰ বাছনি প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰা কোনো প্ৰাৰ্থীয়ে পুনৰ আবেদন কৰাৰ সিদ্ধান্ত লয় তেন্তে কৰ্তৃপক্ষই উক্ত প্ৰাৰ্থীৰ বয়স ৰেহাই দি উপযুক্ত সকাহ দিব।"

১২. এই ৰায়ৰ বিৰুদ্ধে তিনিখন লেখ আপীল দাখিল কৰা হৈছিল। উচ্চ ন্যায়ালয়ৰ এক খণ্ড বিচাৰপীঠে বিবাদিত ৫.৫.২০০৬ তাৰিখৰ ৰায়ৰ দ্বাৰা উক্ত ৰায় খাৰিজ কৰে আৰু প্ৰতিবাদীসকলৰ নিযুক্তি বাহাল ৰাখি ১৮০৩ জন প্ৰাৰ্থীৰ নাম থকা নিৰ্বাচিত তালিকাৰ পৰা প্ৰাৰ্থীসকলৰ শাৰীৰিক আৰু চিকিৎসা পৰীক্ষা অনুষ্ঠিত কৰি বাকী ১৪ টা খালী পদ পূৰণ কৰিবলৈ নিৰ্দেশ দিয়ে।

১৩. আপীলকাৰীয়ে ৩.৭.৩০০৬ তাৰিখে এই ন্যায়ালয়ত বিশেষ অনুমতি আবেদন দাখিল কৰিছিল। অৱশ্যে, ইয়াৰ আগতেই, অৰ্থাৎ ২৪.৬.২০০৬ তাৰিখে উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে প্ৰদান কৰা ৰায়ৰ বাবে স্থানীয় দৈনিক বাতৰি কাকত "দ্য অসম ট্ৰিবিউন" ত এক বিজ্ঞাপন প্ৰচাৰ কৰা হৈছিল। আপীলকাৰীয়ে আন প্ৰাৰ্থীৰ সৈতে তেওঁৰ অধিকাৰ খৰ্ব নোহোৱাকৈ আৰু কোনা পক্ষপাতিত্ব নকৰাকৈ শাৰীৰিক পৰীক্ষাত অৱতীৰ্ণ হৈছিল । কিন্তু

তেওঁ শাৰীৰিক পৰীক্ষাত মাত্ৰ ২০ নম্বৰ (মুঠ ১৪৪ নম্বৰ) লাভ কৰিছিল যিটো ১৫৩.৫ নম্বৰ লাভ কৰা সাধাৰণ শ্ৰেণীৰ শেষৰ প্ৰাৰ্থীজনে লাভ কৰা নম্বৰতকৈ কম আছিল।

১৪. আপীলকাৰীৰ হৈ যুক্তি প্ৰদৰ্শন কৰা বিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰী ৰাজু ৰামচন্দ্ৰনে দাবি কৰিছিল যে উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে নিৰ্বাচিত তালিকা প্ৰস্তুত কৰাৰ পূৰ্বে শাৰীৰিক পৰীক্ষাৰ গুৰুত্ব বিবেচনা কৰাত ব্যৰ্থ হৈ বিবাদিত ৰায় আৰু আদেশ প্ৰদান কৰি এক গুৰুতৰ ভুল কৰিছিল। বিদ্বান অধিবক্তাই আহ্বান জনাইছিল যে শাৰীৰিক সক্ষমতা পৰীক্ষাটো পিছত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লৈ পৰীক্ষাৰ ক্ৰম সলনি কৰাৰ ফলত বাচনি সমিতিৰ পক্ষপাতিত্ব থকাটো স্পষ্ট হৈ পৰিছে । ইয়াৰ উপৰিও যুক্তি দিয়া হৈছিল যে উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে বিদ্বান একক বিচাৰপীঠৰ সুচিন্তিত ৰায়ত হস্তক্ষেপ কৰাৰ পৰ্যাপ্ত আৰু প্ৰকৃত কাৰণ নিৰ্ধাৰণ কৰা নাছিল আৰু উপযুক্ত বিবেচনা অবিহনে ইয়াক সংশোধন কৰিছিল।

ইয়াৰ উপৰিও আমাৰ দৃষ্টি আকৰ্ষণ কৰা হৈছে যে বিবাদিত ৰায়ৰ ১২ নং দফাত সংশোধনৰ উদ্দেশ্যপূৰ্ণ কাৰণ উল্লেখ কৰা হৈছে যিবোৰত প্ৰকৃত তথ্যৰ উল্লেখ আছে আৰু সেয়েহে, এইটো সম্পূৰ্ণৰূপে অগ্ৰহণযোগ্য।

১৫. আনহাতে, আন প্ৰতিবাদী হৈ হাজিৰ হোৱা বিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰী পি কে গোস্বামী আৰু ৰাজ্য চৰকাৰৰ হৈ হাজিৰ হোৱা শ্ৰী ফুকনে যুক্তি প্ৰদৰ্শন কৰে যে আপীলকাৰীক বাছনি সমিতিয়ে গ্ৰহণ কৰা বাছনিৰ প্ৰক্ৰিয়াৰ বৈধতা বা অন্য কোনো ধৰণৰ বিবাদ উত্থাপন কৰাৰ ক্ষেত্ৰত বাধা দিব লাগিব কিয়নো তেওঁ কোনো ধৰণৰ অৱজ্ঞাৰ সন্মুখীন নোহোৱাকৈ বাছনি প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিছিল।

১৬. প্ৰতিবাদী নং ১৫৭- শ্ৰী ৰাজেশ কুমাৰ দাসৰ হৈ হাজিৰ হোৱা বিদ্বান অধিবক্তা শ্ৰী মনীষ গোস্বামীয়ে আমাৰ দৃষ্টি আকৰ্ষণ কৰি কৈছিল যে উক্ত প্ৰতিবাদী এগৰাকী এনচিচি প্ৰাৰ্থী আছিল আৰু সেয়েহে তেওঁ অগ্ৰাধিকাৰ পোৱাৰ যোগ্য আছিল। তেওঁৰ প্ৰাৰ্থীত্বক অৱজ্ঞা কৰাত তেওঁ এখন লেখ আবেদন (দেৱানী) নং ১৭৫৭/২০০০ দাখিল কৰিছিল আৰু উচ্চ

ন্যায়ালয়ৰ এজনীয়া বিচাৰপীঠে ৭.৪.২০০০ তাৰিখৰ এক আদেশৰ দ্বাৰা নিম্নলিখিত অন্তৰ্বৰ্তীকালীন আদেশ জাৰি কৰিছিলঃ

> "আবেদনকাৰীৰ অধিবক্তা শ্ৰীযুত উজিৰে যুক্তি প্ৰদৰ্শন কৰে যে অসম আৰক্ষী বাহিনীৰ উপ-পৰিদৰ্শক (ইউ বি) ৰ খালী পদসমূহ পূৰণৰ বাবে এক বিজ্ঞাপন প্ৰকাশ কৰা হৈছিল আৰু বিজ্ঞাপনত স্পষ্টভাৱে কোৱা হৈছিল যে এনচিচি 'চি' প্ৰমাণপত্ৰ থকা প্ৰাৰ্থীসকলক অগ্ৰাধিকাৰ দিয়া হ'ব। আবেদনকাৰী এনচিচি 'চি' প্ৰমাণপত্ৰ আছিল তথাপিও তেওঁক বাচনিৰ সময়ত অগ্ৰাধিকাৰ দিয়া হোৱা নাছিল। সেয়েহে আবেদনকাৰী উপ-আৰক্ষী পৰিদৰ্শক (ইউবি) পদৰ বাচনিক প্ৰত্যাহ্বান জনাইছিল।
>
> এক অন্তৰৰ্তীকালীন ব্যৱস্থা হিচাপে মই নিৰ্দেশ দিছোঁ যে বিজ্ঞাপনত উল্লেখ কৰা ৩১ টা উপ-পৰিদৰ্শক (ইউ.বি.) পদৰ এটা পদ এই লেখ আবেদনৰ বিচাৰ চলি থকালৈকে খালী ৰখা হওক।"

উক্ত লেখ আবেদনখন ১০.৮.২০০০ তাৰিখে এক ৰায় আৰু আদেশ প্ৰদান কৰি নিষ্পত্তি কৰা হৈছিল আৰু আদেশ দিয়া হৈছিল যে-

> "এই লেখ আবেদনৰ বিচাৰৰ প্ৰাথমিক অৱস্থাত জাননী জাৰি কৰাৰ সময়ত, এই আদালতে ৭.৪.২০০ তাৰিখে এক অন্তৰৰ্তীকালীন আদেশ প্ৰদান কৰি নিৰ্দেশ দিছিল যে এই লেখ আবেদনৰ নিষ্পত্তি নোহোৱালৈকে বিজ্ঞাপনত উল্লেখ কৰা ৩১ টা উপ-পৰিদৰ্শক (ইউ.বি.) পদৰ এটা পদ এই লেখ আবেদনৰ বিচাৰ চলি থকালৈকে খালী ৰখা হওক।"
>
> এই লেখ আবেদন অৱশেষত নিষ্পত্তি কৰা হয় আৰু অসম চৰকাৰৰ আৰক্ষী সঞ্চালক প্ৰধান, প্ৰতিবাদী নম্বৰ ২-ক এই আদালতৰ অন্তৰৰ্তীকালীন আদেশৰ দ্বাৰা খালী ৰখাৰ নিৰ্দেশ দিয়া উপ-পৰিদৰ্শক (ইউবি) পদত নিযুক্তিৰ বাবে আবেদনকাৰীক বিবেচনা কৰিবলৈ নিৰ্দেশ দিয়া হয়, যিহেতু বিজ্ঞাপনটোত স্পষ্টভাৱে উল্লেখ কৰা হৈছিল যে এনচিচি 'চি' প্ৰমাণপত্ৰ থকা প্ৰাৰ্থীসকলক অগ্ৰাধিকাৰ দিয়া হ'ব আৰু আবেদনকাৰী হৈছে এনচিচি ৰ সৰ্বোচ্চ 'চি' প্ৰমাণপত্ৰ থকা একমাত্ৰ প্ৰাৰ্থী ।
>
> আবেদনকাৰীয়ে এই আদেশৰ সত্য প্ৰমাণিত প্ৰতিলিপিৰ সৈতে এই লেখ আবেদনৰ এটা প্ৰতিলিপি আৰু ইয়াৰ সংলগ্ন নথি সমূহ অসমৰ আৰক্ষী সঞ্চালক প্ৰধান, প্ৰতিবাদী নম্বৰ ২-ক প্ৰদান কৰিব আৰু তেওঁ এই আদালতৰ উপৰোক্ত আদেশৰ প্ৰতিলিপিৰ প্ৰাপ্তিৰ ১০ (দহ) দিনৰ ভিতৰত ব্যৱস্থা গ্ৰহণ কৰিব ।

১৭. এইটো উল্লেখ কৰা হৈছে যে সেই অনুসৰি কেৱল উক্ত প্ৰতিবাদীকহে নিযুক্তি দিয়া হৈছিল আৰু তেওঁ তেতিয়াৰে পৰা চাকৰি কৰি আছে । ইয়াৰ উপৰিও আমাৰ দৃষ্টি আকৰ্ষণ কৰা হৈছিল যে বিদ্বান এজনীয়া বিচাৰপীঠৰ আদেশৰ বিৰুদ্ধে এখন লেখ আপীল লেখ দাখিল কৰা হৈছিল যিখন বিচাৰাধীন হৈ আছে।

১৮. বিজ্ঞাপনত উল্লেখ কৰা অনুসৰি প্ৰাৰ্থীসকলে কেৱল লিখিত পৰীক্ষাতে নহয় শাৰীৰিক সক্ষমতা পৰীক্ষাতো যোগ্যতা অৰ্জন কৰাটো প্ৰয়োজনীয় আছিল। বিজ্ঞাপনটো সাধাৰণভাৱে চালেও এইটো স্পষ্টকৈ দেখা যে সাক্ষাৎকাৰ উক্ত দুয়োটা পৰীক্ষা অনুষ্ঠিত হোৱাৰ পিছতহে অনুষ্ঠিত কৰিব লাগিছিল।

১৯. কেৱল উক্ত প্ৰয়োজনীয়তাৰ সৈতে সংগতি ৰাখি প্ৰাৰ্থীসকলক ২৫/২৬.৪.১৯৯৮ তাৰিখে লিখিত পৰীক্ষাত আৰু ২৭/২৮.৪.১৯৯৮ তাৰিখে শাৰীৰিক পৰীক্ষাত অৱতীৰ্ণ হবলৈ কোৱা হৈছিল। অৱশ্যে, প্ৰাৰ্থীসকলৰ যোগ্যতা নিৰ্ণয়ৰ উদ্দেশ্যে নিৰ্দিষ্ট পৰিস্থিতিত বাচনি সমিতিয়ে নিসন্দেহে এক প্ৰক্ৰিয়া নিৰ্ধাৰণ কৰিব পাৰে, কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে উক্ত উদ্দেশ্যৰ পূৰণৰ বাবে প্ৰয়োজনীয় পৰীক্ষা ব্যৱস্থাৰ সালসলনি কৰিব। ৭.৪.১৯৯৯ তাৰিখে লোৱা সিদ্ধান্তৰ ভিত্তিত বাচনি সমিতিয়ে শাৰীৰিক সক্ষমতাৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ আগতে সাক্ষাৎকাৰ অনুষ্ঠিত কৰাৰ কথা ভাবিছিল। প্ৰাৰ্থীসকলে কৰিবলগীয়া কামৰ প্ৰকৃতিৰ প্ৰতি লক্ষ্য ৰাখি শাৰীৰিক সক্ষমতাৰ পৰীক্ষা অনুষ্ঠিত কৰাটো অতি গুৰুত্বপূৰ্ণ আছিল। আৰক্ষীৰ উপ-পৰিদৰ্শক পদত বাছনিৰ বাবে প্ৰাৰ্থী এজনে শাৰীৰিক সক্ষমতাৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাটো অনিবাৰ্য। এইটো এক প্ৰতিযোগিতামূলক পৰীক্ষা আছিল। সেয়েহে, মেৰিট লিষ্ট কেৱল লিখিত পৰীক্ষা আৰু সাক্ষাৎকাৰৰ ভিত্তি নহয়, শাৰীৰিক সক্ষমতাৰ পৰীক্ষাৰ ভিত্তিতো প্ৰস্তুত কৰা উচিত আছিল। আমাৰ মতে, বাচনি সমিতিয়ে পৰীক্ষাৰ ক্ৰম সলনি কৰি এক গুৰুতৰ ভুল কৰিছিল। সেয়েহে বিদ্বান একক বিচাৰপীঠ সাক্ষাৎকাৰ অনুষ্ঠিত কৰাৰ পূৰ্বে শাৰীৰিক সক্ষমতাৰ পৰীক্ষা অনুষ্ঠিত কৰাটো উচিত আছিল বুলি লোৱা সিদ্ধান্ত সঠিক আছিল।

২০. অৱশ্যে, আমাৰ বিবেচনাৰ বাবে উত্থাপন হোৱা প্ৰশ্নটো হল যে এনে ক্ষেত্ৰত আমি ভাৰতৰ সংবিধানৰ ১৩৬ নং অনুচ্ছেদ অনুসৰি আমাৰ ক্ষেত্ৰাধিকাৰ অধিনত বিবাদিত ৰায়টোত হস্তক্ষেপ কৰা উচিত হব নে। আপীলকাৰীয়ে ১৬৯ জন প্ৰাৰ্থীৰ নিযুক্তিৰ ক্ষেত্ৰত কোনো বিবাদ উত্থাপন কৰা নাছিল। তেওঁ এই বিষয়ে অৱগত নাছিল বুলি ভবাটো ভুল হব।

যদি তেওঁ সম্পূৰ্ণ নিৰ্বাচিত তালিকাৰ বৈধতাক প্ৰত্যাহ্বান জনাব বিচাৰিছিল, তেন্তে তেওঁ ৪.৭.২০০০ তাৰিখে নিযুক্তি দিয়া ১৬৯ জন প্ৰাৰ্থীৰ ওপৰতো প্ৰশ্ন উত্থাপন কৰাটো উচিত আছিল।

আপীলকাৰী নিৰ্বাচিত তালিকাত তেওঁৰ স্থানৰ বিষয়ে অৱগত আছিল। নিৰ্বাচন সমিতিয়ে গ্ৰহণ কৰা প্ৰক্ৰিয়াৰ পৰিৱৰ্তনৰ বিষয়েও তেওঁ অৱগত আছিল। তেওঁ কোনো ধৰণৰ আপত্তি নকৰাকৈ সাক্ষাৎকাৰটোত হাজিৰ হৈছিল যদিও ইয়াৰ পূৰ্বে তেওঁ শাৰীৰিক সক্ষমতা পৰীক্ষাত অৱতীৰ্ণ হবলৈ আমন্ত্ৰণ জনোৱা হোৱা নাছিল।

আপীলকাৰীয়ে ৭৭ জন প্ৰাৰ্থীৰ নিযুক্তিৰ ওপৰত প্ৰশ্ন উত্থাপন কৰাৰ সিদ্ধান্ত লৈছিল কেৱল নিৰ্বাচন সমিতিয়ে গ্ৰহণ কৰা প্ৰক্ৰিয়াটো অবৈধ বুলিয়ে নহয়, বৰঞ্চ নিৰ্বাচিত তালিকাৰ প্ৰাৰ্থীৰ দ্বাৰা যাতে কোনো নতুন পদ পূৰণ কৰিব নোৱাৰে তাৰ দাবীত।

২১. আমাৰ মতে ১৬৯ জন প্ৰাৰ্থীৰ নিযুক্তিৰ ওপৰত প্ৰশ্ন নকৰি নিৰপেক্ষভাৱে বাছনি প্ৰক্ৰিয়াৰ পৰিৱৰ্তন গ্ৰহণ কৰি লোৱাৰ পিছত আপীলকাৰীয়ে উক্ত প্ৰক্ৰিয়াটো অবৈধ বুলি দাবী কৰিবলৈ অনুমতি দিব নোৱাৰি। তেওঁক এনে কাৰ্য কৰাৰ পৰা বাৰণ কৰা হল।

অশোক কুমাৰ যাদৱ আৰু অন্যান্য বনাম হাৰিয়ানা ৰাজ্য আৰু অন্যান্য [(1985) 4 এছচিচি 417], গোচৰত এই আদালতৰ এখন সাংবিধানিক বিচাৰপীঠে কৈছে যে কোনা দায়ীত্বপূৰ্ণ পদত প্ৰাৰ্থী বাচনি কৰাৰ ক্ষেত্ৰত মৌখিক পৰীক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এজন উপ-পৰিদৰ্শক পদৰ ক্ষেত্ৰত তেওঁৰ কেৱল বিজ্ঞাপনত নিৰ্ধাৰিত শিক্ষাগত অৰ্হতাই নহয়, পৰিস্থিতিৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ উপস্থিত বুদ্ধিমত্তা আৰু অন্যান্য গুণ থাকিব লাগিব। অৱশ্যে ইয়াৰ অৰ্থ এইটো নহয় যে শাৰীৰিক সক্ষমতা পৰীক্ষাটো গুৰুত্বহীন বুলি বিবেচনা কৰিব লাগে।

এই প্ৰশ্নটো ইউ. পি. ৰাজ্য বনাম ৰফিকউদ্দিন আৰু অন্যান্য [(1987) এছ.চি.চি. 401], গোচৰত পুনৰ উত্থাপন কৰা হৈছিল, যত উল্লেখ কৰা হৈছিলঃ

> "......আয়োগে মৌখিক পৰীক্ষাত এজন প্ৰাৰ্থীয়ে পৰ্য্যাপ্ত পৰিমাণে লাভ কৰা উচ্চ নম্বৰৰ ভিত্তিত এজন প্ৰাৰ্থীৰ যোগ্যতা নিৰ্ণয় কৰিব লাগিব আৰু এজন প্ৰাৰ্থীৰ যোগ্যতা মূল্যাংকন কৰিবলৈ কিমান শতাংশ নম্বৰ লাভ কৰাটো প্ৰয়োজনীয় সেয়া আয়োগে নিৰ্ধাৰণ কৰিব লাগিব। এক সুনিৰ্দিষ্ট নিয়ম নিৰ্ধাৰণ নকৰিলে মৌখিক পৰীক্ষাত প্ৰাৰ্থীসকলৰ যোগ্যতা মূল্যাংকন কৰাৰ ক্ষেত্ৰত কোনো সামঞ্জস্যতা নাথাকিব। সেয়েহে আয়োগৰ নিয়ম নিৰ্ধাৰণ কৰাৰ ক্ষমতা আছিল আৰু মৌখিক পৰীক্ষাৰ বাবে ন্যূনতম ৩৫ শতাংশ নম্বৰ নিৰ্ধাৰণ কৰিছিল। মৌখিক পৰীক্ষা হৈছে লোকসেৱাত নিযুক্তিৰ বাবে এজন প্ৰাৰ্থীৰ যোগ্যতা মূল্যাংকন কৰাৰ ক্ষেত্ৰত এক সুপৰিচিত পদ্ধতি আৰু লোকসেৱাত নিযুক্তিৰ বাবে বাছনি কৰাৰ এই পদ্ধতি প্ৰায় সাৰ্বজনীনভাৱে অনুসৰণ কৰা হৈছিল। যি বাছনি প্ৰক্ৰিয়াত লিখিত আৰু মৌখিক পৰীক্ষাৰ ভিত্তিত প্ৰাৰ্থী বাছনি কৰা হয় তাত প্ৰাৰ্থীয়ে পোৱা মুঠ নম্বৰৰ ভিত্তিত চূড়ান্ত ফলাফল নিৰ্ধাৰণ কৰা হয়। যদি এজন প্ৰাৰ্থীৰ যোগ্যতা নিৰ্ধাৰণ কৰিবলৈ নিৰ্ধাৰণ লিখিত পৰীক্ষাত বা মৌখিক পৰীক্ষাত এক নূন্যতম নম্বৰ নিৰ্ধাৰিত কৰা হয় তেন্তে সেয়া মানি চলিব লাগিব। নীতি ১৯-ৰ দফা (ii)-ৰ বিধানে স্পষ্টভাৱে আয়োগক এজন প্ৰাৰ্থীৰ যোগ্যতা নিৰ্ণয় কৰাৰ বাবে মৌখিক পৰীক্ষাৰ বাবে নিম্নতম নম্বৰ নিৰ্ধাৰণ কৰাৰ ক্ষমতা প্ৰদান কৰে। আমি বিধানটোত কোনো সাংবিধানিক আইনী আসোঁৱাহ বিচাৰি পোৱা নাই।"

ভাৰত সংঘ আৰু অন্যান্যৰ ক্ষেত্ৰত বনাম এছ. বিনোদ কুমাৰ আৰু অন্যান্য [(2007) 8 এছচিচি 100], গোচৰত এই আদালতে ৰায় দিছিলঃ

> "18. এইটোও সুপ্ৰতিষ্ঠিত যে বাছনি প্ৰক্ৰিয়া অংশগ্ৰহণ কৰা প্ৰাৰ্থীসকলে তাত নিৰ্ধাৰিত প্ৰক্ৰিয়াটো সম্পূৰ্ণৰূপে ভালদৰে জানিও এনে প্ৰশ্ন কৰাৰ অধিকাৰ নাছিল।"

বিষয়টো পুনৰ এই বিচাৰপীঠৰ আগত সদনন্দ হালো আৰু অন্যান্য বনাম গোচৰত বিবেচনাৰ বাবে পীঠ কৰা হৈছিল। মমতাজ আলী শ্বেইখ আৰু অন্যান্য [(2008) 4 এছচিচি 619], য 'ত এই বিচাৰপীঠে ৰায় দিছিলঃ "

> 59. এইটোও এক স্থায়ী স্থিতি যে অসফল প্ৰাৰ্থীসকলে উভতি আহি নিৰ্বাচন প্ৰক্ৰিয়া আক্ৰমণ কৰিব নোৱাৰে। নিশ্চিতভাৱে এই আদালতৰ দ্বাৰা এই সাধাৰণ নিয়মৰ ব্যতিক্ৰম আছে।"

[এইচ. ভি. নিৰ্মলা বনাম কৰ্ণাটক ৰাজ্যিক বিত্তীয় নিগম আৰু অন্যান্য গোচৰৰ ৰায় চাওক। [2008 (8) SCALE 315]

২২. সৃষ্টি হোৱা নতুন খালী পদসমূহ নিৰ্বাচিত তালিকাত থকা প্ৰাৰ্থীৰ দ্বাৰা পূৰণ কৰা উচিত নাছিল বুলি শ্ৰীৰাজু ৰামচন্দ্ৰনৰ যুক্তি এতিয়া বিবেচনা কৰিব পাৰি। ভাৰতৰ সংবিধানৰ ১৪ আৰু ১৬ নং অনুচ্ছেদত নিযুক্তিৰ ক্ষেত্ৰত সমতাৰ বিধান আছে। আৰক্ষী উপ-পৰিদৰ্শকৰ বৃহৎ সংখ্যক পদ খালী হৈ পৰিছিল। ১৯৯৭ চনত বিজ্ঞাপন প্ৰকাশ কৰা হৈছিল। লিখিত পৰীক্ষা আৰু সাক্ষাৎকাৰ অনুষ্ঠিত কৰি উক্ত পদসমূহ পূৰণ কৰাৰ বাবে ফলপ্ৰসূ পদক্ষেপ কেৱল ১৯৯৮ চনৰ পৰাহে লোৱা হৈছিল। ৪.৭.২০০০ তাৰিখৰ ভিতৰত প্ৰায় ১৬৯ টা পদতহে নিযুক্তি দিব পৰা গৈছিল । এইটো কোনো বিতৰ্কৰ বিষয় নহয় যে ১১২ টা খালী পদ পূৰণৰ বাবে প্ৰায় ৬০০০ প্ৰাৰ্থীয়ে আবেদন কৰিছিল। তেওঁলোকৰ আবেদন প্ৰক্ৰিয়া আৰু লিখিত পৰীক্ষা, মৌখিক পৰীক্ষা আৰু শাৰীৰিক সামৰ্থ্য পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে বহু সময় লাগিছিল। নিযুক্তি প্ৰক্ৰিয়া প্ৰথম পৰ্যায়ত বিজ্ঞাপন দিয়া ১১২ টা পদৰ বিপৰিতে অধিকতম ৫৭ টা পদ পূৰণ কৰা হৈছিল। আপীলকাৰীয়ে ইয়াৰ বৈধতাৰ ওপৰত কোনো প্ৰশ্ন উত্থাপন কৰা নাছিল। তেওঁ একে কামটো যিমান সোনকালে পাৰে সিমান সোনকালে কৰা উচিত আছিল। আমি আগতে লক্ষ্য কৰা জৰুৰী পৰিস্থিতিৰ বাবে সময়ৰ লগে লগে খালী পদৰ সংখ্যা বৃদ্ধি কৰাৰ প্ৰস্তাৱ দিয়া হৈছিল।

২৩. এক জৰুৰীকালিন পৰিস্থিতিত ৰাজ্যখনে সাংবিধানিক সীমাবদ্ধতাৰ ক্ষেত্ৰত এক বৃহত্তৰ জনস্বাৰ্থ ৰক্ষাৰ বাবে সিদ্ধান্ত লোৱাৰ অধিকাৰ আছে । এনে কোৱাৰ লগতে আমি এই কথাটোৰ প্ৰতি উদাসীন হযব নালাগিব যে সংবিধানত এইটোও উল্লেখ কৰা হৈছে যে ইয়াৰ মাজতে কোনা পদত নিযুক্তিৰ বাবে যোগ্যতা অৰ্জন কৰা প্ৰাৰ্থীসকলক বাছনি প্ৰক্ৰিয়া অংশগ্ৰহণ কৰাৰ সুযোগ দিয়া উচিত। এই আদালতে বাৰে বাৰে কোনা পদত নিযুক্তিৰ বাবে নিৰ্বাচন প্ৰক্ৰিয়া চলাবলৈ ৰাজ্য চৰকাৰে লোৱা অসাৱধান পন্থাক লৈ উদ্বেগ প্ৰকাশ কৰিছে। ১৯৯৭ চনৰ পৰা ২০০১ চনৰ ভিতৰত যদি কোনো নিযুক্তি দিয়া হোৱা নাছিল, তেন্তে দোষী কেৱল ৰাজ্য চৰকাৰ নিজেই। কিন্তু যদিহে আদালতে বৈধ বাচনি বাতিল কৰাৰ বাবে কোনো সাংবিধানিক বা আইনী কাৰণ নাথাকে তেন্তে আদালতে সাধাৰণতে ইয়াত হস্তক্ষেপ নকৰে।

২৪. শ্ৰী ৰাজু ৰামচন্দ্ৰনে ভাৰত চৰকাৰ আৰু অন্যান্য বনাম বি. ভাল্লুভান আৰু অন্যান্য [(2006) 8 এছচিচি 686] ৰ গোচৰত এই আদালতৰ এক ৰায়ৰ ওপৰত দৃঢ়ভাৱে নিৰ্ভৰ কৰিছে। এই আদালতে সেই ৰায়ত মত প্ৰকাশ কৰিছিল যে পেনেল এটা সাধাৰণতে এবছৰৰ বাবে বাহাল থাকে । সেই গোচৰত এই আদালতে সুৰিন্দৰ সিং বনাম পঞ্জাৱ ৰাজ্য [(1997) 8 এছচিচি 488] গোচৰত এই আদালতৰ পূৰ্বৰ সিদ্ধান্তটো বিবেচনা কৰি সিদ্ধান্ত লৈছিল যে-

> "17. পেনেল এটা সাধাৰণতে এবছৰৰ বাবে বাহাল থাকে । ইয়াক কেৱল ৰাজ্য চৰকাৰহে সম্প্ৰসাৰণ কৰিব পাৰে যদিহে বিধিয়ে তেনে কৰাৰ অনুমতি দিয়ে। উচ্চ ন্যায়ালয়ে সাধাৰণতে পেনেলৰ কাৰ্যকাল বৃদ্ধি নকৰে। এবাৰ সকলো পদ পূৰণ কৰি পেনেল এটাৰ কাৰ্যকাল শেষ হৈ গলে ভৱিষ্যতৰ পেনেল এটা কৰাৰ প্ৰশ্নই নুঠে। নিৰ্বাচন সমিতিৰ উক্ত পৰামৰ্শসমূহ গ্ৰহণ কৰা, নকৰা বা নাকচ কৰাটো ৰাজ্য চৰকাৰৰ দায়িত্ব আছিল। ইয়াত আগতে লক্ষ্য কৰাৰ দৰে সকলো অধিসূচিত খালী পদৰ লগতে ২০০০ চনত খালী হোৱা পদবোৰো পূৰণ কৰা হৈছিল । যিহেতু ভৱিষ্যতে খালী হবলগীয়া পদসমুহো ইতিমধ্যে ২০০০ চনত পূৰণ কৰা হৈছিল সেয়েহে ১৯৯৯ চনত প্ৰস্তুত কৰা পেনেলত পুনৰ উল্লেখ কৰাৰ প্ৰশ্নই নুথে। সেয়েহে, বিতৰ্কিত ৰায়টো বাহাল ৰাখিব নোৱাৰি ।"

অৱশ্যে, সেই গোচৰত এইটোও সিদ্ধান্ত লোৱা হৈছিল যে-

> “11. উচ্চ ন্যায়ালয়ৰ পুনৰীক্ষণ বিচাৰপীঠে ভুল প্ৰশ্ন সুধিছিল। গোচৰটোত কেনেদৰে এটা স্পষ্ট ত্ৰুটি হৈছিল সেয়া ব্যাখ্যা কৰাত ব্যৰ্থ হৈছিল। আবেদনকাৰীসকলৰ কোনো আইনী অধিকাৰ নাথাকিলে ন্যায়াধিকৰণৰ আগত মূল আৱেদনখন কিয় বৈধ হ"লহেঁতেন সেয়া দেখুৱাবলৈ ই শক্তিশালী কাৰণ দেখুওৱা নাছিল। প্ৰথম প্ৰতিপক্ষজনে নিযুক্তি পোৱাৰ আইনী অধিকাৰ নাছিল। তেওঁ এটা বিজ্ঞাপন অনুসৰি আবেদন কৰিছিল, কিন্তু তেওঁ দাবী কৰা নাছিল যে তেওঁৰ আবেদনক উপেক্ষা কৰা হৈছিল বা তেওঁক অন্যায় কৰা হৈছিল। তেওঁ বেয়া উদ্দেশ্যৰে কাম কৰাৰ কাৰো ওপৰত অভিযোগও উত্থাপন কৰা নাছিল।"

সেই গোচৰত বিজ্ঞাপনত উল্লেখ কৰা পদতকৈ অধিক পদ পূৰণ কৰা হৈছিল।

২৫. আকৌ এবাৰ বিহাৰ ৰাজ্য আৰু অন্যান্য বনাম ভি অমৰেন্দ্ৰ কুমাৰ মিশ্ৰ [(2006) 12 এছচিচি 561], গোচৰত এই আদালতে একে দৃষ্টিভংগী গ্ৰহণ কৰি কৈছিলঃ

"এইটো সৰ্বজনবিদিত যে এটা পেনেল এবছৰৰ বাবে বৈধ হৈ থাকে। এবাৰ ইয়াৰ ম্যাদ উকলি যোৱাৰ পিছত ৰাজ্য চৰকাৰে উপযুক্ত আদেশ জাৰি নকৰালৈকে উক্ত পেনেলৰ পৰা কোনো নিযুক্তি দিব নোৱাৰি।"

ইয়াৰ উপৰিও উল্লেখ কৰা হৈছিলঃ

"13. ইয়াৰ পূৰ্বে লক্ষ্য কৰা সিদ্ধান্তসমূহে দেখুৱাইছে যে এখন অপেক্ষা তালিকাও বিজ্ঞাপনৰ চৰ্তসমূহৰ প্ৰতি লক্ষ্য ৰাখি কাৰ্য্যকৰী হ'ব লাগিব আৰু যিকোনো পৰিস্থিতিত নিৰ্ধাৰিত সময় উকলি যোৱাৰ পিছত সেইখন বৈধ্য হৈ থাকিব নোৱাৰে।"

২৬. অৱশ্যে এই গোচৰৰ পেনেলৰ বৈধ্যতা আছিল দুবছৰৰ বাবে। পদসমূহ উক্ত নিৰ্বাচিত তালিকাৰ পৰা পূৰণ কৰাৰ প্ৰক্ৰিয়া তালিকা খনৰ প্ৰস্তুতিৰ পৰা এবছৰৰ ভিতৰত আৰম্ভ হৈছিল।

২৭. গুজৰাট ৰাজ্যত ডেপুটি এক্সিকিউটিভ ইঞ্জিনিয়াৰ্ছৰ এচিয়েশ্যন বনাম গুজৰাট ৰাজ্য আৰু অন্যান্য [1994 চাপ্লি (2) এছচিচি 591], গোচৰত অৱশ্যে এই আদালতে ভৱিষ্যতৰ খালী পদবোৰ সাধাৰণতে অপেক্ষা তালিকাৰ পৰা পূৰণ কৰিব নালাগে বুলি মত প্ৰকাশ কৰি মন্তব্য কৰিছিলঃ

"আয়োগৰ দ্বাৰা প্ৰস্তুত কৰা অপেক্ষা তালিকাৰ পৰা ভৱিষ্যতে খালী হবলগীয়া পদসমূহত নিযুক্তি নিয়মৰ পৰিৱৰ্তে ব্যতিক্ৰম হ'ব লাগে। ইয়াৰ বহুতো প্ৰভাৱ আছে .......... কোনো সম্ভাৱনীয়তা নাছিল বা ৰাজ্য চৰকাৰে অপেক্ষা তালিকাৰ পৰা খালী পদবোৰ পূৰণ কৰাৰ কোনো সিদ্ধান্ত লোৱা নাছিল কাৰণ ইয়াৰ বাবে পৰীক্ষা অনুষ্ঠিত কৰাটো সম্ভৱ নাছিল বা কোনো আকস্মিক পৰিস্থিতিৰ সৃষ্টি হোৱা নাছিল কেৱল অপেক্ষা তালিকাৰ কিছুমান প্ৰাৰ্থীৰ দাবী যে তেওঁলোকক ১৯৮০ চনৰ পৰা ১৯৮৩ চনৰ ভিতৰত আৰু ১৯৮৩ চনৰ পৰা ১৯৯৩ চনৰ ভিতৰত খালী হবলগীয়া পদবোৰত বাবে দিব লাগে। সেয়েহে, উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি, ১৯৮০ চনৰ পৰা ১৯৮৩ চনৰ ভিতৰত আৰু ১৯৮৩ চনৰ পৰা ১৯৯৩ চনৰ ভিতৰত গণনা কৰা অনুসৰি খালী হবলগীয়া পদসমূহত অপেক্ষা তালিকাৰ পৰা প্ৰাৰ্থীসকলক নিযুক্তি দিব নোৱাৰি।"

সেই ক্ষেত্ৰত ৰাজ্য চৰকাৰে অপেক্ষা তালিকাৰ পৰা খালী পদসমূহ পূৰণ কৰাৰ সিদ্ধান্ত লৈছিল কাৰণ ইয়াৰ বাবে পৰীক্ষা অনুষ্ঠিত কৰাটো সম্ভৱ নাছিল বা কোনো আকস্মিক

পৰিস্থিতিৰ সৃষ্টি হোৱা নাছিল কেৱল কিছুমান প্ৰাৰ্থীয়ে দাবী কৰিছিল যে ১৯৮০ চনৰ পৰা ১৯৮৩ চনৰ ভিতৰত আৰু ১৯৮৩ চনৰ পৰা ১৯৯৩ চনৰ ভিতৰত গণনা কৰা অনুসৰি খালী হবলগীয়া পদসমূহত অপেক্ষা তালিকাৰ পৰা তেওঁলোকক নিযুক্তি দিব লাগে । এক আকস্মিক পৰিস্থিতিত ইয়াৰ ব্যতিক্ৰম কৰা হৈছিল।

এই গোচৰটোত উক্ত চৰ্তবোৰ প্ৰযোজ্য হয়।

২৮. শ্ৰী ৰাজু ৰামচন্দ্ৰনে আঙুলিয়াই দিছিল যে নিযুক্তি পোৱা কিছুসংখ্যক প্ৰাৰ্থীয়ে ১০০ মিটাৰ দৌৰত শূন্য নম্বৰ লাভ কৰিছিল। এনে বিষয় তলৰ আদালতত উত্থাপন কৰা হোৱা নাছিল। এনে বিষয় উত্থাপন কৰা হলে হয়তো প্ৰতিপক্ষক ইয়াৰ বাবে জবাবদিহি কৰিব পাৰিলেহেঁতেন। তদুপৰি, তেওঁলোক আৰক্ষী উপ-পৰিদৰ্শকৰ পদত নিযুক্ত কৰাৰ ক্ষেত্ৰত শাৰীৰিকভাৱে অক্ষম বুলি দেখা নগল। নিযুক্তিৰ বাবে তেওঁলোকৰ শাৰীৰিক সুস্থতা পৰীক্ষা কৰাৰ উদ্দেশ্যে অনুস্থিত কৰা বাচনি প্ৰক্ৰিয়াৰ সকলো পৰ্যায়তে তেওঁলোকৰ সামগ্ৰিক প্ৰদৰ্শন বিবেচনা কৰা হৈছিল। সাক্ষাৎকাৰত বা শাৰীৰিক সক্ষমতা পৰীক্ষাত অনুপস্থিত থকা প্ৰাৰ্থীসকলক বাছনি কৰা হোৱা নাছিল। এইটো এনে গোচৰ নহয় যত আপীলকাৰীসকলৰ শাৰীৰিক সক্ষমতা পৰীক্ষা অৱজ্ঞা কৰাৰ অনুমতি দিব পাৰি।

২৯. ওপৰত উল্লেখ কৰা কাৰকসমুহৰ বাবে এই আপীলৰ গুণাগুণৰ অভাৱ দেখা যায়, সেয়েহে এই  আপীল খাৰিজ কৰা হয়। অৱশ্যে এই গোচৰৰ তথ্য আৰু পৰিস্থিতি লক্ষ্য কৰি ব্যয়ৰ ক্ষেত্ৰত কোনো আদেশ দিয়া নহল।

................. ন্যায়াধীশ

[এছ. বি. সিনহা]

.................. ন্যায়াধীশ

[ভি. এছ. চিৰপুৰকাৰ]

নতুন দিল্লী;

২৩জানুৱাৰী, ২০০৯

অনুবাদকাৰী- সুচেনজিৎ বায়ন, জেষ্ঠ অনুবাদক

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)